समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১

বৰগীত



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ – ২ (প্ৰশ্নোত্তৰ)

অংগৰাগ ভূঞা

প্ৰশ্নাৱলী

ভাব-বিষয়ক :


১। চমুকৈ প্ৰশ্নৰ উত্তৰ দিয়া :

(ক) "..... নেৰিবা বান্ধৱ মোক জীৱনে মৰণে।" — কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে কাক অনুৰোধ কৰিছে?

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে হৰিক অনুৰোধ কৰিছে।



(খ) 'সনক সনন্দ যোগী যাহাকু ধিয়ায়।'
-সনক, সনন্দ আদি যোগীসকলে কাক ধ্যান কৰে বুলি কৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সনক, সনন্দ আদি যোগীসকলে ভগৱানক ধ্যান কৰে বুলি কৈছে।



(গ) কবি কিহত আতুৰ হোৱা বুলি কৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ কবিয়ে বিষয় বাসনাত কাতৰ হোৱা বুলি কৈছে।



(ঘ) তোমাৰ পাঠ্য বৰগীতটি কোনে ৰচনা কৰা?



উত্তৰঃ উক্ত বৰগীতটি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে ৰচনা কৰা।



(ঙ) বৰগীতটি কি ৰাগত বন্ধা আছে?



উত্তৰঃ বৰগীতটি বসন্ত ৰাগত বন্ধা আছে ।



(চ) কবিয়ে 'বান্ধৱ' বুলি কাক সম্বোধন কৰিছে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ কবিয়ে বান্ধব ' বুলি নাৰায়ণক সম্বোধন কৰিছে ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ছ 'মোহ-পাশ' মানে কি?



समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোহ – পাশ ' মানে মায়াৰ জৰী অর্থাৎ মায়াৰ বান্ধোন ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। বৰগীতটিৰ মূলভাৱ লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মাধৱদেৱ বিৰচিত হৰি হেৰোৰে বাপ পশিলো শৰণে শীৰ্ষক বৰগীতটো দাস্য ভক্তিৰ উৎকৃষ্ট নিদৰ্শন। বৈষ্ণৱ ধৰ্মৰ ইষ্ট দেৱতা বিষ্ণুৰ শৰণ লৈ সংসাৰৰ মোহপাশৰ পৰা মুক্তি পোৱাৰ কামনাৰ কথা এই বৰগীতটোত প্ৰকাশ পাইছে।

ভগৱানৰ চৰণত শৰণ লোৱা কবিয়ে তেওঁক জীৱনে মৰণে নেৰিবলৈ ভগৱানক কাকুতি কৰিছে। যোগসিদ্ধ পুৰুষসকলে যাক ধ্যান কৰে, সমস্ত বেদে যাক বিচাৰি নাপায়, সহস্ৰবাৰ বখানিও যাৰ গুণ গাই শেষ কৰিব নোৱাৰে, সেইজনা পৰম পুৰুষৰ মহিমা কবিৰ দৰে অধমে জানিবলৈ অপৰাগ।

বিষয় – বাসনাত মত্ত কবিয়ে ইয়াৰ পৰা পৰিত্রাণ বিচাৰি ভগৱানৰ চৰণত শৰণ লৈছে । ভকতৰ ত্রাণকর্তা ভগৱান । সেয়ে কবিয়ে ভগৱানৰ ওচৰত কাতৰভাৱে তেওঁক সংসাৰৰ মায়া মোহৰৰ পৰা পৰিত্রাণ কৰিবলৈ প্রার্থনা কৰিছে ।

ভগৱানৰ দাসৰূপে নিজকে প্রতিপন্ন কৰা এই বৰগীতটোত কবিয়ে তেওঁক সংসাৰৰ যন্ত্রণাৰ পৰা মুক্তি দিবলৈ ভগৱানক খাটিছে । নিজকে ভগৱানৰ চৰণত সমর্পণ কৰি এই সংসাৰৰ মায়াৰ বন্ধনৰ পৰা মুক্তি হ'বলৈ এইদৰে প্রার্থনা কৰাৰ মাজেৰে কবিৰ ভক্তিধর্মৰ প্রতি পৰাকাষ্ঠা প্রকাশ পাইছে ।

৩। ৰৰগীতটিৰ ৰচকৰ চমু পৰিচয় দিয়া।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বৰগীতটোৰ ৰচক হ'ল শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয়তম শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ । কবি মাধৱদেৱৰ জন্ম হৈছিল লখিমপুৰৰ নাৰায়ণপুৰৰ লেটেকু পুখুৰীত ১৪৮৯ খ্ৰীষ্টাব্দত । তেখেতেৰ পিতৃ আছিল গোবিন্দগিৰী আৰু মাতৃৰ নাম আছিল মনোমা।

মনোৰমা

বৰ্তমান বাংলাদেশৰ ঢাকাত ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত গুৰুজনাই শিক্ষা গ্ৰহণ কৰিছিল । ১৫২২ চনত তেখেতে শ্ৰীমন্ত শংকৰদেৱক লগ পায় আৰু শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱ – বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি ধৰ্ম চৰ্চাত আত্মনিয়োগ কৰে।

কবি মাধৱদেৱৰ সাহিত্যিক কর্মৰাজি তলত দিয়া ভাগত ভাগ কৰি দেখুৱাব পাৰি –

(ক) আখ্যানমূলক ৰচনাঃ আদিকাণ্ড ৰামায়ণ আৰু ৰাজসূয় কাব্য ।

(খ) তত্ত্বমূলক গ্ৰন্থঃ নামঘোষা , জন্ম ৰহস্য , ভক্তি ৰত্নাৱলী আৰু নামমালিকা ।

(গ) নাটকঃঅর্জুনভঞ্জন , চোৰধৰা - পিম্পৰা গুচোৱা, ভোজন বেহাৰ আৰু ভূমি লেটোৱা ।

(ঘ) গীতঃ বৰগীত আৰু ভটিমা ।

নামঘোষা হ'ল কবি মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীর্তিস্তম্ভ । ইয়াত এহেজাৰ ঘোষা থকা বাবে এইখনক হেজাৰী ঘোষাও বোলা হয় ।

মাধৱদেৱৰ বৰগীতৰ সংখ্যা হ'ল ১৫৭ টা । তদুপৰি ভাৱ আৰু ভাষালৈ লক্ষ্য কৰি পণ্ডিত সকলে মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা ১৯১ টা বুলি অনুমান কৰে । মাধৱদেৱৰ বৰগীতৰ মূলভাব বাৎসল্য যদিও দাস্য ভাৱৰ বৰগীতো ৰচনা কৰিছে । বর্ণনাৰ সজীৱতা , ভাষাৰ মাধুর্য , কবিপ্রাণৰ উচ্ছ্বাস আদি সার্থকৰূপত প্রকাশ পাইছে বাবেই সংখ্যাত কম হলেও তেওঁৰ সাহিত্যকর্মই শংকৰদেৱৰ পিছতেই তেওঁৰ স্থান নির্ণয় কৰিছে । অর্থাৎ অসমীয়া সাহিত্যত তেওঁৰ নাম চিৰস্মৰণীয় । এইগৰাকী মহান সাহিত্যিকৰ ১০৭ বছৰ বয়সত ১৫৯৬ খ্রীষ্টাব্দত কোচবিহাৰৰত দেহাৱসান ঘটে ।

समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ব্যাখ্যা কৰা —

(ক) সহস্র বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ ব্যাখ্যেয় বৰগীতফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ ৰিচিত 'হৰি হেৰৰে বাপ পশিলো শৰণে ' শীৰ্ষক বৰগীতটিৰ পৰা তুলি দিয়া হৈছে । বৰগীত ফাঁকিৰ মাজেৰে কবিয়ে ভগৱানৰ মহিমা প্ৰকাশ কৰিছে ।

বৈষ্ণৱ ধৰ্মৰ ইষ্ট দেৱতা বিষ্ণুৰ অংশ স্বৰূপ শ্ৰীকৃষ্ণৰ ওচৰত শৰণ লৈ সংসাৰৰ পৰা মুক্তি পোৱাৰ কথা এই বৰগীতটোত প্ৰকাশ কৰিছে । ভগৱান শ্ৰীকৃষ্ণৰ মহিমা অপাৰ ।

সনক, সনন্দ আদি যোগসিদ্ধ পুৰুষ সকলেও যিজনক ধ্যান কৰে , সকলো বেদে যাক বিচাৰি নাপায় , সহস্ৰ ব্যাখ্যাৰ অন্ততো যাৰ গুণ গাই শেষ কৰিব নোৱাৰি

সেইজনা অৱতাৰী পুৰুষৰ মহিমা কবিৰ দৰে অধমে কিদৰে জানিব বুলি কবিয়ে প্রকাশ কৰিছে । এইদৰে , ভগৱানৰ অপাৰ মহিমা সাধাৰণ লোক দূৰৰ কথা যোগী পুৰুষ , বেদৰো যে জ্ঞাতনহয় , তাকে কবিয়ে প্রকাশ কৰিছে ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ব্যাখ্যা কৰা —

(খ) আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।



উত্তৰঃ উক্ত কবিতাফাঁকি আমাৰ পাঠ্যপুথিৰ অন্তগর্ত শ্রী শ্রী মাধৱদেৱৰ দ্বাৰা ৰচিত 'বৰগীত'ৰ পৰা তুলি দিয়া হৈছে।

মায়ামোহত আৱদ্ধ কবিয়ে মুক্তি বিচাৰি ভগৱানৰ চৰণত প্রার্থনা জনোৱাৰ প্রসংগত উক্ত গীতফাঁকি উল্লেখ কৰিছে।

পৰম ব্রহ্ম পৰমেশ্বৰ নিবর্ণ, নিৰাকাৰ। ভিন্ন ৰূপে অৱতাৰ গ্রহণ কৰি ভগৱানে জগতৰ তৰণৰ হেতু বিভিন্ন লীলা প্রকাশ কৰে। হৰিৰ ভক্ত সকলে বিশ্বাস কৰে যে হৰিৰ চৰণত স্থান লাভ কৰিব পাৰিলে সংসাৰৰ মায়ামোহ, বিষয় - বাসনাৰ পৰা মুক্তি লাভ কৰিব পাৰি।

কবি সংসাৰৰ মায়া মোহ, বিষয়- বাসনাত আৱদ্ধ। সেইবাবে তেওঁ হৰিক কাতৰ ভাৱে প্ৰাৰ্থনা কৰিছে যাতে হৰিয়ে নিজৰ চৰণত কবিক স্থান দি এই সংসাৰৰ মায়া- মোহ, বিষয়- বাসনাৰ পৰা উদ্ধাৰ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ব্যাখ্যা কৰা —

(গ) তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ প্রশ্নোত বৰগীত ফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ বিৰচিত ' হৰি হেৰৰে বাপ পশিলো শৰণে' শীৰ্ষক বৰগীতটোৰ পৰা তুলি দিয়া হৈছে । ভগৱানেই ভকতৰ ত্রাণকর্তা , তেওঁৰ চৰণ যুগলেই যে ভকতৰ বাবে পৰম ধন তেনে এটি ভাৱ প্রকাশৰ বাবেই উক্ত বৰগীত ফাঁকিৰ অৱতাৰণা কৰা হৈছে ।

যোগসিদ্ধ পুৰুষসকলেও যাক ধ্যান কৰে, সমস্ত বেদৰ যি বিচার্য বিষয়, যাৰ গুণ গাই অন্ত কৰিব নোৱাৰি, তেনেজনা অপাৰ মহিমাৰ গৰাকী ভগৱানৰ মহিমা কবিৰ দৰে সাধাৰণৰ ঢুকি পোৱাৰ আঁতৰত ।

বিষয় বাসনাত আতুৰ হৈ পৰা লোকৰ মুক্তিৰ একমাত্ৰ পথ হ'ল ভগৱানৰ চৰণত শৰণ লোৱাটো।
কবিৰ বাবেও সংসাৰখন বিৰক্তিকৰ হৈ পৰিছে। সেয়ে তেওঁ ভগৱানৰ চৰণত তেওঁৰ বাবে অলপমান ঠাই বিচাৰিছে। ভকতৰ বাবে ভগবানৰ চৰণযুগলেই পৰম ধনৰ দৰে। ভকতৰ বাবে ভগৱানেই একমাত্ৰ জীৱন স্বৰূপ। এইদৰে ভগৱানেই যে মুক্তিৰ পথ সেয়া এই বৰগীত ফাঁকিৰ মাজেৰে প্ৰকাশ পাইছে।

৫। 'সনক সনন্দ যোগী যাহাকু ধিয়ায়
সকল নিগমে যাক বিচাৰি নপায়।'
—তাৎপর্য বিচাৰ কৰা।




সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ভগৱানৰ অপাৰ মহিমা প্ৰকাশ কৰাৰ প্ৰসংগত, ভগৱানৰ বিষয়ে এনেদৰে কৈছে । ভগৱানক পোৱাটো সহজ নহয় । সনক সনন্দ আদি যোগসিদ্ধ পুৰুষ সকলেও যিজন পৰম পুৰুষকক ধ্যান কৰে, সকলো বেদ অধ্যয়ন কৰিলেও যাক বিচাৰি পোৱা নাযায়, তেওঁৰ মহিমা অপাৰ ।

সহস্ৰমুখ অনন্তইও যাৰ গুণ গাই শেষ কৰিব নোৱাৰে, সেইজনা পুৰুষৰ মহিমা মাধৱদেৱেও নাজানে আৰু তেওঁ জনাতো সম্ভৱেই নহয় বুলি কবিয়ে নিজেই কৈছে। সংসাৰৰ বিষয়বাসনাত আতুৰ হৈ তাৰপৰা মুক্তি লভিবলৈ কবিয়ে ভগৱানৰ চৰণত শৰণ ল'ব বিচাৰিছে । কিয়নো ভকতৰ বাবে ভগবানেই একমাত্ৰ জীৱনস্বৰূপ।

গতিকে এনেজনা পৰমপুৰুষ যিজনৰ মহিমা যোগী পুৰুষ, বেদেও বিচাৰি নাপায় তেওঁৰ চৰণত শৰণ লৈ সংসাৰৰ পৰা মুক্তি পাব বুলি দৃঢ় বিশ্বাস হৈছে । সেইবাবেই কবিয়ে উক্ত বৰগীত ফাঁকিত এনেদৰে কৈছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। বৰগীতৰ চাৰিটা লক্ষণৰ বিষয়ে লিখা।




সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে একশৰণ হৰিনাম ধর্মৰ প্রচাৰ । আৰু প্রসাৰৰ উদ্দেশ্যে ভগৱানৰ লীলা মাহাত্ম্য প্রকাশক এক শ্রেণীৰ উচ্চ আধ্যাত্মিক ভাৱাপন্ন গীত ৰচনা কৰে । এই গীতবোৰকে বৰগীত আখ্যা দিয়া হয় । বৰগীতৰ কেতবোৰ সুকীয়া সুকীয় লক্ষণ আছে, যাৰবাবে এই গীত আন গীতৰ পৰা পৃথক ।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



ৱৰগীতৰ তেনে চাৰিটা লক্ষণ হ'ল—

(ক) ৱৰগীতবোৰ ৰাগ – তালযুক্ত শাস্ত্রীয় গীত ।

(খ) ৱৰগীত কৃত্রিম ব্রজাৱলী ভাষাত ৰচিত ।

(গ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে লিখা উচ্চ আধ্যাত্মিক ভাৱধাৰাৰ কিছুমান বিশেষ গীতকহে ৱৰগীত আখ্যা দিয়া হয় ।

(ঘ) ভক্তিৰস প্রকাশক ৱৰগীতবোৰত দাস্য , সখ্য , বাৎসল্য , শান্ত-ৰসৰো প্রকাশ ঘটিছে ।

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। তলত দিয়া শব্দকেইটাৰ আধুনিক ৰূপ লিখাঃ

নপাৱন্ত, কেনে, ভৈলোহো, তুমিসে, জনেৰ, কহয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ নপাৱন্ত – নাপায়

কেনে – কেনেকৈ

ভৈলোহো – হ'লোঁ

তুমিসে – তুমিহে

জনেৰ – জনৰ

কহয় – কয়

২। ব্রজাৱলী ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অসমীয়া সাহিত্যত বৈষ্ণৱ গুৰু শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীত আৰু অংকীয় নাটত ব্যৱহৃত ভাষাটো ব্ৰজবুলি'বা ব্ৰজাৱলী' নামে জনাজাত । পঞ্চদশ শতাব্দীৰ শেষভাগৰ পৰা উনবিংশ শতাব্দীৰ শেষ ভাগলৈ অসমীয়া বৈষ্ণৱ সন্ত মহন্তসকলে এই ভাষাত গীত – নাট ৰচনা কৰিছিল ।

ক) ব্ৰজবুলি ভাষা বা ব্ৰজাৱলী ভাষাত সংস্কৃত শব্দৰ প্ৰয়োগ বহুলভাৱে দেখা যায় ।

খ) এই ভাষাত আৰবী , ফাৰ্চী আদি বিদেশী ভাষাৰ শব্দও দেখা যায় ।

গ) অসমীয়া ব্ৰজৱলী ভাষাত বিশিষ্ট স্বৰধ্বনি মাত্ৰ ছয়টা ই । , । এ । , । আ । , । অ , । ও , আৰু । উ ।

ঘ) অসমীয়া বৈষ্ণৱ গুৰুসকলে প্ৰয়োগ কৰা ব্ৰজাৱলীত সংখ্যা শব্দৰ প্ৰয়োগত সীমাবদ্ধতা পৰিলক্ষিত হয় । সংখ্যা শব্দৰ ভিতৰত এক , দুই , তিনি পাঞ্চ , ছয় , সাত ইত্যাদি ।

ঙ) ব্ৰজাৱলীৰ ভাষা ছন্দ মাত্ৰিক । পদান্তৰ অকাৰ লোপ নহয় । ছন্দ বৈচিত্ৰ্য দৃষ্টিৰে ব্ৰজাৱলী সাহিত্য অতি চহকী । মুঠতে কৃত্ৰিম সাহিত্যিক ভাষা ব্ৰজাৱলী মৈথিলী , ভোজপুৰী , নেৱাৰী আৰু কামৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণত সৃষ্টি হৈছে । কৃত্ৰিম ভাষা হোৱা বাবে ইয়াত প্ৰভাৱ পৰা ভাষাৰ বৈশিষ্ট্যবোৰ দেখা যায়